**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১।  ৰাজ্যত বৰ্তমানলৈকে ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি চতুৰ্থ দিনাও প্ৰশাসনৰ উচ্ছেদ অভিযান।

২।  মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰিসৰ বৃদ্ধিত মন্ত্ৰীসভাৰ অনুমোদন।

৩।  স্বাধীনতা দিৱসৰ সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অভ্যৰ্থনা অনুষ্ঠানলৈ দৰঙৰ দিপ্তী চহৰীয়া আমন্ত্ৰিত।

৪।  ৰাজ্যত জুনত চাহৰ উৎপাদন যোৱা বছৰৰ তুলনাত ১২ শতাংশ হ্ৰাস।   *আৰু*

৫।  কেনিংটন অভেল টেষ্টত ভাৰতৰ সংঘৰ্ষ। প্ৰথম দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ৬ উইকেটত ২০৪ ৰান সংগ্ৰহ।

oooooo

ৰাজ্যত বৰ্তমানলৈকে ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে উৰিয়ামঘাট অঞ্চলত চলোৱা উচ্ছেদ অভিযানত ১০ হাজাৰৰো অধিক ভূমি দখলমুক্ত কৰা হৈছে। পূৰ্বতে ১ লাখ ২৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। ড° শৰ্মাই লগতে উৰিয়ামঘাটত চলোৱা উচ্ছেদ অভিযানত সহযোগিতা কৰাৰ বাবে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ক ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীৰ বনাঞ্চল সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে মহানগৰখনৰ বনাঞ্চলত বাস কৰা অখিলঞ্জীয়া লোকৰ সংখ্যা ঠিৰাং কৰাৰ বাবে জৰীপ চলাব। মহানগৰখনৰ জন-গাঁথনি সলনি কৰা লোকসকলক জৰীপত সামৰি লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে চৰকাৰে থলুৱা আৰু খিলঞ্জীয়া লোকসকলক উচ্ছেদ কৰাৰ কথা চিন্তা কৰা নাই। তেওঁ কয়, যে অসমত কমেও তিনিটা প্ৰজন্ম বাস কৰি থকা লোকসকলৰ চিন্তাৰ কোনো কাৰণ নাই। বনভূমি দখল কৰি থকা অখিলঞ্জীয়া লোকক উচ্ছেদৰ বাবে যিকোনো সময়তে অভিযান আৰম্ভ কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সকিয়াই দিয়ে। ড° শৰ্মাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে খিলঞ্জীয়া লোকসকলে ভূমি পট্টা লাভ কৰিব বুলি ঘোষণা কৰে।

**- বাইট (চি এম) -**

ইপিনে, গোলাঘাটৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি চতুৰ্থ দিনাও প্ৰশাসনে উচ্ছেদ চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে ভালেসংখ্যক এক্সকেভেটৰ, বনকৰ্মী আৰু প্ৰশাসনিক বিষয়া নিয়োগ কৰা হৈছে। গোলাঘাট জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, আৰক্ষী বিষয়া, কাৰ্যবাহী দণ্ডাধীশকে ধৰি অন্যান্য উচ্চপদস্থ বিষয়া আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ দল এই উচ্ছেদ অভিযানস্থলীত উপস্থিত থাকিব।

প্ৰশাসনে কালি তৃতীয়দিনা অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলাই প্ৰায় সাতশ বাসগৃহ উচ্ছেদ কৰে। ৰাজ্যৰ বিশেষ মুখ্য সচিব এন কে যাদৱ আৰু আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙে উচ্ছেদ অভিযানৰ তদাৰক কৰে। উচ্ছেদ সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

**--বাইট–**

০০০০০০

মন্ত্ৰীসভাই মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি অসমত থকা কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ অনুষ্ঠানসমূহত ২০২১ চনৰ এক এপ্ৰিলৰ পৰা ভৰ্তি হোৱা দিব্যাংগ গৱেষকসকলকে ধৰি পূৰ্ণকালীন গৱেষক ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে ১০ হাজাৰ গৰাকী গৱেষক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কালি এইকথা প্ৰকাশ কৰে। ৰাজ্যিক মন্ত্ৰীসভাই বঙাইগাওঁ সংমণ্ডলৰ লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তাই যোশীতা দাসৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্ত চিবিআইলৈ হস্তান্তৰ কৰাত অনুমোদন জনায়।  ইয়াৰ উপৰি বদৰপুৰত খোৱাপানী যোগানৰ বাবে মন্ত্ৰীসভাই ৪৯ কোটিৰো অধিক ব্যয় সাপেক্ষ বদৰপুৰ নগৰ পানী যোগান আঁচনিত অনুমোদন জনায়। ৰাজ্যিক মন্ত্ৰীসভাই মিছন বসুন্ধৰা তৃতীয় পৰ্যায় সন্দৰ্ভতো ভালেমান সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি ৮ খন জিলাৰ ২৯৯ খন বাৰ্ষিক পট্টা ম্যাদী পট্টালৈ ৰূপান্তৰ, ১০ টা আন্তঃগাঁথনিৰ বাবে ভূমি আৱণ্টন, ডিব্ৰুগড়ত ভূমি পুনৰ শ্ৰেণী বিভাজন, ৭ খন জিলাৰ ১৯০ টা ন্যায়িক অনুষ্ঠানলৈ ভূমি হস্তান্তৰ আৰু ধেমাজিত এহেজাৰ ৭৪২ টা ভূমিহীন খিলঞ্জীয়া পৰিয়ালৰ ভূমি নিষ্পত্তিত অনুমোদন জনোৱা হয়। তদুপৰি ২০১১ চনৰ পূৰ্বে তিৰাপ জনজাতীয় অঞ্চলৰ ভূমিৰ অধিকাৰ থকা আহোম, কোচ ৰাজবংশী, মৰাণ, মটক, চুতীয়া, গোৰ্খা, চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলক সংৰক্ষিত লোকৰ শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০

দৰং জিলাৰ জলজলি গৰিয়াপাৰ গাঁওনিবাসী কৃষি উদ্যোগী দিপ্তী চহৰীয়াসহ দেশৰ মুঠ ৮ গৰাকী বিশিষ্ট ব্যক্তিয়ে স্বাধীনতা দিৱসৰ সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অভ্যৰ্থনা অনুষ্ঠানলৈ আমন্ত্ৰণ লাভ কৰিছে। কালি মঙলদৈ ডাক বিভাগৰ বিষয়া কৰ্মচাৰীৰ এটা প্ৰতিনিধি দলে দিপ্তী চহৰীয়াক নিজা বাসভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ নিমন্ত্ৰণী পত্ৰখন প্ৰদান কৰে। চিৰ সেউজী মহিলা কৃষক উৎপাদক কোম্পানীৰ পৰিচালন সঞ্চালক দিপ্তী চহৰীয়াই এই আমন্ত্ৰণৰ বাবে আনন্দ প্ৰকাশ কৰি কৃষি বিভাগক ইয়াৰ বাবে ধন্যবাদ জনায়।

**বাইট (দিপ্তী চহৰীয়া)**

০০০০০০

ৰাজ্যত জুনত চাহৰ উৎপাদন যোৱা বছৰৰ তুলনাত ১২ শতাংশ হ্ৰাস পাইছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে এনে হোৱা বুলি কোৱা হৈছে। ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ সচিব মাধুৰ্য বৰুৱাই কালি কয়, যে জুলাইত ৰাজ্যত বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ ৩০ৰ পৰা ৪০ শতাংশ হ্ৰাস পাইছে আৰু ইয়াৰ ফলত অনাগত সময়ত চাহৰ উৎপাদন আৰু হ্ৰাস পোৱাৰ সম্ভাৱনাই দেখা দিছে। ভাৰতীয় চাহ পৰিষদৰ অধ্যক্ষ সৰ্বেশ চহৰীয়াই চাহ উদ্যোগৰ বাবে পৰিস্থিতি উদ্বেগজনক হৈ পৰা বুলি প্ৰকাশ কৰিছে। অধিক চাহ উৎপাদন হোৱা উজনি অসমৰ পানীতোলা, টেঙাখাত আৰু ডুমডুমাৰ দৰে এলেকাসমূহত খৰাং সদৃশ পৰিস্থিতিৰ

সৃষ্টি হৈছে আৰু ইয়াৰ ফলত চাহৰ কুমলীয়া পাত ওলোৱাত বাধাৰ সৃষ্টি হৈছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে দিন আৰু ৰাতি তাপমাত্ৰাৰ তাৰতম্যৰ বাবে এনে হৈছে।

০০০০০০

বিশ্বনাথ জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। জিলাখনত ১০ জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ তথ্য জিলা স্বাস্থ্য বিভাগে সদৰি কৰিছে। আক্ৰান্তসকলৰ ভিতৰত ইতিমধ্যে শিশুসহ দুজন লোকৰ মৃত্যু ঘটিছে। বিশ্বনাথ জিলাৰ টেঙাবৰী গাঁৱৰ গিৰিশ বৰা, বালিজুৰিৰ সোণাৰাণী বসুমতাৰী আৰু গড়পালৰ আগমায়া চেত্ৰীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনত এই ৰোগ নিৰ্মূলৰ বাবে জিলা স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বনাঞ্চলখনৰ উচ্ছেদ কৰা ভূমিত পুনৰ বসতি স্থাপন কৰিবলৈ অহা ৫ জন লোকক আৰক্ষীয়ে কালি আটক কৰে। সোণাৰি বিল টাপুত জুপৰী নিৰ্মাণ কৰি পুনৰ বসতি স্থাপন কৰাৰ পৰিকল্পনাৰ কথা গম পাই আৰক্ষীয়ে এই লোককেইজনক আটক কৰে। লোককেইজনক আৰক্ষীয়ে সোধা-পোছা কৰি আছে।

০০০০০০

বিশিষ্ট ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত আজি ধেমাজিৰ গোগামুখত টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে টাবুৰাম টাইড স্মৃতি ন্যাসৰ সৌজন্যত ২০২৫ বৰ্ষৰ সাহিত্য বঁটাসমূহ প্ৰদান কৰা হ'ব। বিশিষ্ট সাহিত্যক য়েছে দৰজে ঠংছিক ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা প্ৰদান কৰা হ'ব। মিচিং ভাষাৰ বিশিষ্ট লেখক ডাঃ বিদ্যেশ্বৰ দলেক টাবুৰাম টাইড মিচিং সাহিত্য বঁটা আৰু জনগোষ্ঠীয় পটভূমিত ৰচনা কৰা **লাঙাদেউ** নামৰ গ্ৰন্থখনৰ বাবে পংকজ কুমাৰ দত্তক উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা আগবঢ়োৱা হ'ব। পৰৱৰ্তী সময়ত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটা আৰু টাবুৰাম টাইড ফেল'শ্বিপ প্ৰদান কৰা হ'ব বুলি স্মৃতি ন্যাসৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০০

ধুবুৰী জিলা গৌৰীপুৰৰ বালাজান আৰক্ষীয়ে অভিযান চলাই ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কালি ৩০টা চোৰাং ম'হৰ সৈতে চাৰিজন সৰবৰাহকাৰীক আটক কৰে। আমাৰ ধুবুৰীৰ সংবাদদাতাই জনোৱা মতে আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই এখন মালবাহী ট্ৰাকত আমৰ বাকচৰ আঁৰত লুকুৱাই অনা ম'হকেইটা উদ্ধাৰ কৰে। এই সংক্ৰান্তত আৰক্ষীয়ে বৰপেটা জিলাৰ আবুল কাছেম, মিনাৰুল হক, জিয়াপদ আলী আৰু ছাইদুল হক নামৰ চাৰিজন সৰবৰাহকাৰীক আটক কৰে। পশ্চিমবংগৰ পাঞ্জীপাৰা অঞ্চলৰ পৰা গুৱাহাটীলৈ চোৰাংভাৱে এই ম'হকেইটা লৈ যোৱা হৈছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

ওদালগুৰি জিলা আৰু ছেচন আদালতে কালি ৰামু কৰ্মকাৰ নামৰ এজন লোকক হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰে আৰু ২০ হাজাৰ টকাৰ জৰিমণা বিহে। ৰাজু কৰ্মকাৰে যোৱা ২৮ মাৰ্চত ৪ নম্বৰ বৰিগাঁৱৰ গিৰিৰাজ মহন্ত নামৰ এজন লোকক হত্যা কৰা বুলি অভিযোগ উঠিছিল।

০০০০০০

লণ্ডনৰ কেনিংটন অভেলত অনুষ্ঠিত এণ্ডাৰ্ছন তেণ্ডুলকাৰ ট্ৰফী টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰত বিপৰ্যয়ৰ সন্মুখীন হৈছে। খেলৰ কালি প্ৰথমদিনা ভাৰতে কৰুণ নায়াৰৰ অৰ্ধ শতকৰ সহায়ত

৬টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ২০৪ ৰাণ সংগ্ৰহ কৰে। ছাই সুদৰ্শনে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দিনান্তত কৰুণ নায়াৰে ৫২ আৰু ৱাশ্বিংটন সুন্দৰে ১৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নায়াৰ আৰু সুন্দৰৰ যুটীয়ে ৮৮টা বলত ৫১ ৰান সংগ্ৰহ কৰে। খেলুৱৈ দুগৰাকীয়ে আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডৰ হৈ গ'ছ এট্‌কিংছন আৰু জোচ টঙে দুটাকৈ উইকেট দখল কৰে। খেলখনত বৰষুণে দুবাৰকৈ বিধি পথালি দিয়ে যদিও খেলৰ সময় কিছু বৃদ্ধি কৰা আৰু কালিৰ দিনটোত মুঠ ৬৪ অভাৰৰ খেল হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰত সম্প্ৰতি শৃংখলাত ১-২ ফলাফলত পিছ পৰি আছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকসমূহত অনান্য বাতৰিসমূহৰ লগতে ৰাজ্যজুৰি চলি থকা উচ্ছেদ অভিযান আৰু চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সম্পৰ্কীয় কেবাটাও বাতৰিয়ে শিৰোনাম দখল কৰিছে। গুৱাহাটীত সন্দেহজনক নাগৰিকৰ কৱলত পৰা বনাঞ্চলৰ ভূমি বেদখলমুক্ত কৰিবলৈ চৰকাৰে জৰীপ চলাইছে। কালি কেবিনেট বৈঠকৰ অন্তত গুৱাহাটীৰো একাধিক স্থানত উচ্ছদ চলিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা বাতৰিটোৱে অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দি চেন্টিনেল,দি টাইমছ অব ইণ্ডিয়া, দৈনিক অসম, দৈনিক অগ্ৰদূত কাকত, অসমীয়া খবৰ কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। লোকনিৰ্মাণ বিভাগৰ বঙাইগাঁৱৰ সহকাৰী অভিযন্তা জ্যোষিতা দাসৰ আত্মহননৰ ঘটনাৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰা হব বুলি কালি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা বাতৰিটোৱেও কেবাখনো কাকতত বিশেষ গুৰুত্ব লাভ কৰিছে। অভনেত্ৰী নন্দিনী কাশ্যপৰ বাহনৰ খুন্দাত মৃত্যু হোৱা ছামিউল হকৰ পৰিয়ালক গোচৰ উঠাই লবলৈ USTMৰ আচাৰ্য মহববুল হকে পাঁচ লাখ টকাৰ প্ৰলোভন দিছিল বুলি এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশ পাইছে। ইফালে গোলাঘাটৰ উৰিয়ামঘাটত কালি প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানত পাঁচখন গাঁৱৰ সাত শতাধিক বাসগৃহ উচ্ছেদ কৰা হয়। আটাইকেইখন কাকততেই উৰিয়ামঘাটৰ উচ্ছেদ অভিযানে শিৰোনাম দখল কৰিছে। ভাৰতৰ ওপৰত ২৫শতাংশ শুল্ক জাপি দিয়াৰ পাছত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডলাল্ড ট্ৰাম্পে সামাজিক মাধ্যমযোগে ভাৰতৰ অৰ্থনীতিক মৃত আখ্যা দিয়াক লৈ দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দৈনিক অসমে এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত